# আদি পুস্তকত থকা পৰিয়াল বিলাকৰ মৌলিক সত্যতাবোৰ

ল’ৰা-ছোৱালীক শিকোৱাবিলাকে অধ্যয়ন P2b1 পঢ়া উচিত।

**১। ঈশ্বৰৰ বাক্যৰ দ্বাৰাই হৃদয় আৰু মন প্ৰস্তুত কৰা।**

আপুনি গোটেইখিনি এবাৰতেই অধ্যয়ন কৰিব পাৰে বা প্ৰত্যেক সপ্তাহত এটা বা দুটা পৰিয়ালৰ বিষয়ে কেবা সপ্তাহলৈকে পঢ়িব পাৰে।

**প্ৰাৰ্থনা ঃ** “প্ৰভু, মানুহে কেনেকৈ চিৰন্তন সত্যক বুজি পাব পাৰে সেই কথা পৰিয়াল বিলাকৰ পৰা শিকিবলৈ আমাক সহায় কৰক।”

**(ক) নতুনকৈ সৃষ্টি কৰা** জগতখনত চয়তানে যেতিয়া আদমক ফুচুলালে তেতিয়া তেওঁ পাপ কৰিলে। আদিপুস্তক ১ অধ্যায়ৰ পৰা ৩ অধ্যায়লৈকে পঢ়ক।

- **মৌলিক সত্যতা ঃ** প্ৰত্যেকেই পাপ কৰে, কাৰণ আদমে পাপ কৰাৰ দ্বাৰাই জগতলৈ পাপ আৰু মৃত্যুক লৈ আহিল। পঢ়ক ৰোমীয়া ৫ঃ১২-২২ পদ।
- **এইবোৰ প্ৰশ্ন আলোচনা কৰক ঃ** চয়তানে যেতিয়া হৱাক প্ৰলোভন দেখুৱাইছিল তেতিয়া কি প্ৰতিজ্ঞা কৰিছিল? পাপ কিয় ইমান লোভনীয়?


*(উত্তৰ ঃ তেওঁ ঈশ্বৰৰ নিচিনা জ্ঞানী হ’ব আৰু তেওঁৰ মৃত্যু নহ’ব বুলি চয়তানে মিছা কথা কৈছিল।)*



**(খ) নোহ** ঈশ্বৰৰ বাধ্য হ’ল আৰু “জাহাজ” বুলি কোৱা এটা ডাঙৰ উপঙা বাকচ নিৰ্মাণ কৰি উলিয়ালে, য’ত তেওঁৰ পৰিয়াল আৰু সকলো প্ৰজাতিৰ জন্তুবোৰে মহা জলপ্লাৱনৰ পৰা ৰক্ষা পাইছিল। আদিপুস্তক ৬-৯ অধ্যায়।

- **মৌলিক সত্যতা ঃ** পাপী মানুহক ঈশ্বৰে শাস্তি দিয়ে, কিন্তু তেওঁক মানি চলাজনক ৰক্ষা পাবৰ উপায় দিয়ে। যীচুৱে নোহৰ সময়ত ঈশ্বৰে দিয়া শাস্তিক জগতৰ শেষ বিচাৰৰ লগত তুলনা কৰিছে। মথি ২৪ঃ৩৭-৪২ পদ।
- **আলোচনাৰ প্ৰশ্ন ঃ** কেনেকৈ নোহৰ জাহাজখন যীচুৱে আমাৰ জীৱনত আমাক জীৱন দিবলৈ অহাৰ নিচিনা হয়?

*(উত্তৰ ঃ খ্ৰীষ্টই আমাক নতুন জীৱন দিয়ে। আমি তেওঁৰ শৰীৰ। নোহ আৰু তেওঁৰ পৰিয়ালে জাহাজত থাকি যেনেকৈ মৃত্যু আৰু শাস্তিৰ পৰা ৰক্ষা পালে, ঠিক তেনেকৈ আমি তেওঁত আছোঁ।)*



**(গ) অব্ৰাহামে** ঈশ্বৰৰ প্ৰতিজ্ঞাবোৰ বিশ্বাস কৰিছিল আৰু ঈশ্বৰে তেওঁৰ লগত এটি গুৰুত্বপূৰ্ণ চুক্তি কৰিছিল, আদিপুস্তক ১২-২৬ অধ্যায়। অব্ৰাহামৰ নিচিনাকৈ, সকলো জাতিৰ মানুহে যেতিয়া ঈশ্বৰৰ প্ৰতিজ্ঞাবোৰত বিশ্বাস কৰে তেতিয়া আশীৰ্ব্বাদ পায়।

১২ঃ১-৭ পদলৈকে ঈশ্বৰে অব্ৰাহামৰ বংশৰ যোগেদি সকলো জাতিকে আশীৰ্ব্বাদ কৰিব বুলি কৰা প্ৰতিজ্ঞাৰ কথালৈ চাওক।

১৪ অধ্যায়ত অব্ৰাহামে তেওঁৰ ভতিজা লোটক ধৰি লৈ যোৱা পাঁচজন দেৱপূজক ৰজাক পৰাভূত কৰিছিল সেই বিষয়ে চাওক।

১৫ অধ্যায়ত চাওক ঈশ্বৰে কেনেকৈ এটি আশ্চৰ্য্যজনক পদ্ধতিৰে তেওঁৰ নিয়ম চুক্তিক নিশ্চিত কৰিছিল।

১৮ অধ্যায়ত চাওক অব্ৰাহামে লোট আৰু তেওঁৰ পৰিয়ালৰ বাবে কেনেকৈ ঈশ্বৰক নিবেদন জনাইছিল।

১৯ অধ্যায়ত চাওক ঈশ্বৰে কেনেকৈ পাপেৰে পৰিপূৰ্ণ চদোম নগৰ ধ্বংস কৰিছিল।

- **মৌলিক সত্যতা ঃ** ঈশ্বৰে আমাৰ আত্মিক পিতৃ অব্ৰাহামক যিদৰে গ্ৰহণ কৰিছিল, সেইদৰে আমাকো আমাৰ বিশ্বাসৰ বাবে গ্ৰহণ কৰে। গালাঃ ৩ঃ৬-৩।
- **এই প্ৰশ্নটো আলোচনা কৰক ঃ** মানুহবিলাকে ভাল কৰ্ম্ম কৰি পৰিত্ৰাণৰ যোগ্যতা অৰ্জন কৰি নে তেওঁলোকে বিশ্বাস কৰাৰ বাবে ৰক্ষা পায়?

*(উত্তৰ ঃ ইফিচীয়া **২ঃ৮-১০** পদত এইদৰে কৈছে যে ঈশ্বৰে তেওঁৰ দয়া আৰু আমাৰ বিশ্বাসৰ কাৰণে আমাক ৰক্ষা কৰে, আমাৰ ভাল কৰ্ম্মৰ বাবে নহয়। আমাৰ বিশ্বাসৰ পৰাহে ভাল কৰ্ম্ম আহিব।)*

**(ঘ) ইচহাক** হৈছে অব্ৰাহাম আৰু চাৰাৰ বৃদ্ধ বয়সত আচৰিত ভাবে জন্ম পোৱা ঈশ্বৰৰ প্ৰতিজ্ঞাৰ সন্তান, আদিপুস্তক ২১-২৮ অধ্যায়। ২২ অধ্যায়ত ঈশ্বৰে অব্ৰাহামক তেওঁৰ সন্তানক উৎসৰ্গা কৰিবলৈ কৈছে। ঈশ্বৰে অব্ৰাহামৰ বিশ্বাসক পৰীক্ষা কৰিছিল। ঈশ্বৰে অব্ৰাহামক এইদৰে প্ৰতিজ্ঞা কৰাইছিল যে ইচহাক এসময়ত তেওঁৰ উত্তৰাধিকাৰী হব যিজনৰ যোগেদি তেওঁৰ প্ৰতিজ্ঞা তেওঁ কাৰ্য্যত পৰিপূৰ্ণ কৰিব।

২৪ অধ্যায়ত চাওক কেনেকৈ অব্ৰাহামৰ দাসে এক ঈশ্বৰত বিশ্বাস কৰা ছোৱালীক ইচহাকৰ পত্নী কৰিবলৈ বিচাৰি গৈছিল।

- **মৌলিক সত্যতা ঃ** কিছুমান মানুহে সন্দেহ কৰে যদিও ঈশ্বৰে তেওঁৰ প্ৰতিজ্ঞাবোৰ কাৰ্য্যত পৰিপূৰ্ণ কৰে। অব্ৰাহামে যেতিয়া তেওঁক প্ৰতিজ্ঞা কৰা উত্তৰাধিকাৰীৰ কাৰণে বাট চাই চাই ভাগৰি পৰিছিল তেতিয়া তেওঁ নিজ চেষ্টাৰে ঈশ্বৰৰ প্ৰতিজ্ঞাৰ কাৰ্য্যত পৰিপূৰ্ণ কৰিবলৈ ওলাইছিল। ইয়াৰ ফলতে ইস্মায়েলৰ জন্ম হৈছিল। যিগৰাকী আৰব জাতিৰ এক বংশ আছিল আৰু মানুহে নিজৰ প্ৰচেষ্টাত ৰক্ষা পাব পাৰে বুলি এটি মিছা বিশ্বাসৰ কথা কৈ মুছলিম ধৰ্ম্ম প্ৰৱৰ্ত্তন কৰিছিল। (গালাঃ ৪ঃ২১-৩১ পদ)
- **এইবোৰ প্ৰশ্ন আলোচনা কৰক ঃ**

ঈশ্বৰে কেনেকৈ অব্ৰাহামৰ বিশ্বাসক পৰীক্ষা কৰিছিল?

*(উত্তৰ ঃ ঈশ্বৰে অব্ৰাহামক তেওঁৰ সন্তানটিক বধ কৰিবলৈ কৈছিল। তেওঁ যেতিয়া দেখিলে যে অব্ৰাহামে তেওঁৰ বাধ্য হ'বলৈ ওলাইছে, ঈশ্বৰে তেতিয়া ইচহাকৰ ঠাইত মৰিবৰ বাবে এটা মেৰ ছাগ যোগালে। ইব্ৰী **১১ঃ১৭-১৯** পদে এই কথা বুজাইছে যে ইচহাকক মৃত্যুৰ পৰা তুলিবৰ অৰ্থে অব্ৰাহামে ঈশ্বৰত বিশ্বাস কৰিছিল।)*

মেৰ ছাগটিয়ে (এটা মতা ছাগ) কেনেকৈ খ্ৰীষ্টৰ ছবিৰ দৰে বা ভৱিষ্যতবাণী ৰূপে কাৰ্য্য কৰিলে?

*(উত্তৰ ঃ মেৰ ছাগটি এটি নিৰ্দোষী বলি আছিল যাৰ তেজ আন এজনক ৰক্ষা কৰিবৰ বাবে বৈ গৈছিল। এইয়ে পুৰণি নিয়মৰ আন বহুতো মানুহ আৰু ঘটনাবোৰৰ দৰে খ্ৰীষ্ট এই জগতলৈ অহাৰ অনেক আগেয়ে তেওঁৰ ছবি হিচাবে কাৰ্য্য কৰিছে। যীচু যেতিয়া এই জগতলৈ আহিব তেতিয়া তেওঁক গ্ৰহণ কৰিবলৈ এই উদাহৰণবোৰে মানুহবিলাকক প্ৰস্তুত কৰি লৈছিল।)*



**(ঙ) যাকোবে** ঈশ্বৰৰ আশীৰ্বাদ বিচাৰিছিল। ঈশ্বৰে যাকোবৰ নাম সলনি কৰি ইস্রায়েল কৰিছিল। তেওঁৰ বাৰজন সন্তানৰ বংশধৰ সকলেই ইস্রায়েলৰ বাৰ ফৈদ আছিল। আদিপুস্তক ২৫-৪৯ অধ্যায়।

২৫ঃ২১-৩৪ আৰু ২৭ অধ্যায়ত চাওক যাকোবে কেনেকৈ তেওঁৰ জন্মগত অধিকাৰ, সম্পত্তিৰ দুগুন অংশ পাবৰ বাবে তেওঁৰ জেষ্ঠ্য ভাতৃ এচৌক প্ৰতাৰণা কৰিছিল। দ্বিতীয় বিৱৰণ ২১ঃ১৫-১৭ পদ।

- **মৌলিক সত্যতা ঃ** ঈশ্বৰৰ অনুগ্ৰহ আৰু মৰমিয়াল ক্ষমা আমাৰ ভাল কৰ্ম্মৰ ওপৰত নিৰ্ভৰ নকৰে। ৰোমীয়া ৯ঃ১-১৬ পদত কোৱাৰ দৰে যাকোবে মিছা কথা কোৱা স্বত্বেও ঈশ্বৰৰ পৰা আশীৰ্ব্বাদ পাইছিল।
- **এই প্ৰশ্নটো আলোচনা কৰক ঃ** যাকোবে কি ভাল আৰু কি বেয়া কাম কৰিছিল? *(উত্তৰ ঃ বৰ পুত্ৰই জন্মসূত্ৰে অধিকাৰ কৰিবলগীয়া পৈতৃক সম্পত্তিৰ যি দুগুণ অংশ এচৌৰ ভাগত আছিল যাকোবে তাৰ সুবিধাটো ল লৈ। তেওঁ ভাল কামো কৰিছিল; অতি ভক্তি সহকাৰে ঈশ্বৰৰ সেৱা কৰিছিল আৰু তেওঁৰ মৰমৰ পত্নী ৰাহেলক পাবৰ বাবে বহু বছৰ কাম কৰিছিল।)*

**(চ) যোচেফৰ** হিংসাকুৰীয়া ককায়েকসকলে তেওঁক দাস হিচাবে বিক্ৰী কৰিছিল। আদিপুস্তক ৩৭-৫০ অধ্যায়। ককায়েকসকলে তেওঁক বিক্ৰী কৰি দিয়াৰ পাচত যোচেফক বনৰীয়া জন্তুৱে মাৰিলে বুলি পিতৃ যাকোবক কৈছিল। আন বিলাকে যোচেফক মিছাকৈ দোষাৰোপ কৰি বন্দীশালত থৈছিল। আদিপুস্তক ৩৯ অধ্যায়। পিচলৈ যোচেফে ঈশ্বৰৰ লগত চলা বাবে তেওঁক ঈশ্বৰে মিচৰ দেশৰ এজন উচ্চ পদস্থ বিষয়ালৈ উন্নীত কৰিছিল। আদিপুস্তক ৪০-৪১ অধ্যায়। তাৰ পিচত, যোচেফে তেওঁৰ ককায়েকবিলাকক আৰু তেওঁলোকৰ পৰিয়ালবোৰক আকালৰ পৰা ৰক্ষা কৰিছিল। আদিপুস্তক ৪২-৪৫ অধ্যায়।

- **মৌলিক সত্যতা ঃ** ঈশ্বৰে তেওঁৰ লোকবিলাকক তেওঁলোকৰ এজন জ্ঞাতি-কুটুম, এজন সম্বন্ধীয়ৰ যোগেদি তেওঁলোকক উদ্ধাৰ কৰিছিল। খ্ৰীষ্ট আমাৰ জ্ঞাতি, এজন পাপহীন মানুহ, যিজনে আমাক উদ্ধাৰ কৰিবলৈ মৃত্যু বৰণ কৰিছিল। ইব্ৰী ২ঃ১০-১৮ পদ।
- **এই প্ৰশ্নটো আলোচনা কৰক ঃ** যোচেফৰ জীৱনটো কেনেকৈ খ্ৰীষ্টৰ নিচিনা আছিল?

*(উত্তৰ ঃ যোচেফ ইস্রায়েলৰ (যাকোব) সন্তানবিলাকৰ এজন আচল সন্তান আছিল, যিজনে হিংসাতে তেওঁক গ্ৰাহ্য কৰিছিল। বাপেকে তেওঁক অতিকৈ প্ৰেম কৰিছিল। তেওঁ বাধ্য আছিল। তেওঁৰ নিজৰ লোকবিলাকেই তেওঁক বিক্ৰী কৰিছিল। (যিহূদাই যীচুক বিক্ৰী কৰাৰ দৰে) তেওঁক মিচৰলৈ লৈ যোৱা হৈছিল। তেওঁক মিছাকৈ দোষাৰোপ কৰি বন্দীশালত থোৱা হৈছিল। তেওঁৰ ৰজাৰ সোঁহাত স্বৰূপে এটি উচ্চ ক্ষমতাসম্পন্ন পদত অধিষ্ঠিত হৈছিল। সেই পদৰ ক্ষমতা অনুসৰি, তেওঁক অগ্ৰাহ্য কৰা তেওঁৰ ককায়েকসকলক তেওঁ উদ্ধাৰ কৰিছিল। এক মহাভোজৰ সময়ত তেওঁ নিজকে অতি মহৎ ৰূপত প্ৰকাশ কৰিলে।)*



**২। আপোনাৰ সহকৰ্ম্মী আৰু বিশ্বাসীসকলৰে সৈতে মিলি পিচৰ সপ্তাহটোত কি কৰিব সেই বিষয়ে পৰিকল্পনা কৰক।**

আপোনাৰ লোকবিলাকে তেওঁলোকৰ বন্ধু আৰু পৰিয়াল বিলাকৰ, যিবিলাকে এতিয়াও যীচুক নাজানে তেনেলোকৰ ওচৰলৈ দুই বা তিনিজনীয়া দল গঠন কৰি যাবৰ বাবে পৰিকল্পনা কৰি লওক।

**৩। আপোনাৰ সহকৰ্ম্মীসকলৰ সৈতে লগ লাগি হ'বলগীয়া উপাসনা সময়ৰ বিষয়ে পৰিকল্পনা কৰক।**

আদিপুৰুষ বিলাকৰ বুৰঞ্জী খ্ৰীষ্টিয় সমাজক কওক।

ওপৰত উল্লেখ কৰা যিকোনো এজন বা দুজন আদিপুৰুষৰ বিষয়ে বাছি লৈ সমাজৰ মানুহখিনিক কওক।

আদিপুৰুষ সকলৰ (ওপৰৰ) বিষয়ে মৌলিক সত্যখিনি বুজাই দিয়ক।

আলোচনা কৰা প্ৰশ্নবোৰ (ওপৰৰ) সোধক। যেতিয়ালৈকে মানুহবিলাকে নকয় তেওঁলোকে কি ভাবিছে তেতিয়ালৈকে উত্তৰটো কৈ নিদিব।

**মুখস্থ কৰক ঃ** আদিপুস্তক ১৫ঃ৬ পদ।

ল'ৰা-ছোৱালীবিলাকে কি যুগুত কৰিছে সেইটো তেওঁবিলাকক দেখুৱাবলৈ দিয়ক।

প্ৰভুৰ ভোজ পৰিচয় কৰি দিবলৈ বুজাই দিয়ক যে যোচেফে তেওঁৰ যিবিলাক ককায়েকে তেওঁক দাস হিচাবে বিক্ৰী কৰি দিছিল তেওঁলোকৰ বাবে এটি ভোজৰ আয়োজন কৰিছিল। তেওঁলোকে তেওঁক চিনি পোৱা নাছিল। তেওঁ তেওঁবিলাকক ক্ষমা কৰি দিছিল আৰু তাৰ পিছত তেওঁনো কোন তাৰ পৰিচয় দিছিল। আমিও সেই গৌৰৱত যীচুৰ সৈতে ভোজন কৰিম আৰু তেওঁক মুখা-মুখিকৈ দেখা পাম।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net